# কেতিয়া কোৰআন পঢ়া নিষিদ্ধ বা নোৱাৰি !

Inzamul Hoque Misbahi Sep 8, 2022 masail and fataws

প্ৰশ্নঃ- কোৰাণ শ্বৰীফ কোন কোন সময়ত পঢ়া মানা আছে জনাবচোন।

---

উত্তৰঃ- কোনো সময়ত ই নিষিদ্ধ নহয়,কিন্তু কিছুমান বিশেষ পৰিস্থিতিত ই নিষিদ্ধ যেনে- নাপাকি অৱস্থাত বা ঋতুস্ৰাৱ আৰু প্ৰসূতি কালত(সন্তান জন্মৰ পিছত চল্লিশ দিনলৈ,অৱশ্যে ইয়াৰ সময়সীমা ৰক্তৰ ওলোৱা বন্ধ হোৱালৈকে)। ইয়াৰোপৰি মকৰূহ সময় তিনিটাত কোৰআন পাঠ নকৰা উত্তম,এইসমূহ সময়ত কোনো ধৰণৰ নামাজ পঢ়াৰ অনুমতি নাই। জিকিৰ,দুৰুদ আদি পঢ়া উত্তম।
মকৰূহ ওৱাক্ত কোন কেইটা লিংকটোৰে পঢ়ক। **“মকৰূহ সময়”**
• নাপাকি বা ঋতুস্ৰাৱ আদি অৱস্থাত কোৰআন পাঠ শুনিব পাৰি,নিষেধাজ্ঞা কেৱল কোৰআন পঢ়া বা পোনপটীয়াকৈ স্পৰ্শ কৰাতহে। শুনাত কোনো নিষেধাজ্ঞা নাই।
• বাহাৰে চৰীয়তত আছে: মাহেকীয়া অৱস্থাত ও প্ৰসৱ কালত থকা মহিলাৰ পক্ষে চাই কোৰআন পঢ়া অথবা মুখস্থ পাঠ কৰা,আৰু তাইৰ স্পৰ্শ কৰা হাতেৰে বা আঙুলিৰ মূৰৰে অথবা শৰীৰৰ কোনো অংশৰে,সকলোবোৰ নিষিদ্ধ তথা হাৰাম।
(بہارِشریعت،ج١،ص٤٧٩)

---

প্ৰশ্নঃ-মৃতজনক কবৰ দিয়াৰ পিছত কবৰৰ কাষতে কোৰআন তিলাৱত বা দোআ দুৰূদ কৰি থাকিব পাৰিনে ?

•----------------••✦❇✦••-------------•
উত্তৰঃ- পাৰি,এয়া ছুন্নত।
◉ কবৰস্থ কৰা ব্যক্তিৰ কবৰৰ কাষত থাকি কোৰআন তিলাৱত কৰা বহুত উত্তম। এয়া নিসন্দেহে বৈধ। •মৃত ব্যক্তিৰ বাবে সকলোতকৈ পছন্দনীয় বস্তু হৈছে তেওঁৰ বাবে কৰা দোআ। •তেওঁৰ বাবে কৰা তিলাৱত। •তেওঁৰ বাবে কৰা ক্ষমা প্ৰাৰ্থনা। •তেওঁৰ বাবে কৰা ছদকা।
• এই বিষয়ে অসংখ্য হাদিছ বৰ্ণিত,তাৰে মাজৰ কিছু উল্লেখ কৰা হ’ল;
• কবৰৰ কাষত থাকি মৃত ব্যক্তিজনৰ বাবে দোআ কৰা ছুন্নত,আনকি হাদিছত ইয়াৰ আদেশ আহিছে যথা:
عن عثمَانَ بن عَفَّانَ قَالَ: كانَ النَّبيُّ ﷺ إذَا فرَغَ مِن دَفْنِ المَيِّتِ وقَفَ علَيهِ وقال: استَغْفِرُوا لأَخِيكُم، وسَلُوا لَهُ التَّثبيتَ، فإنَّهُ الآنَ يُسأَلُ
হজৰত ওছমান বিন আফ্‌ফান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে মৃত ব্যক্তিক কবৰস্থ কৰাৰ পিছত নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লাম সেই কবৰত(কিছু সময়)থমকি যায় আৰু কয়: নিজৰ ভাতৃৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা আৰু(আল্লাহৰ ওচৰত)তাৰ বাবে (কবৰত সুধিব লগীয়া প্ৰশ্নসমূহৰ সঠিক উত্তৰত)অটলে থকাৰ বাবে দোআ কৰা কাৰণ এতিয়া তাক প্ৰশ্ন কৰা হ’ব।
(ابو داود ،كتاب الجنائز،٣/٢١٥-٣٢٢١)

◉ হজৰত ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লামে কৈছে: কবৰত মৃত ব্যক্তিৰ উদাহৰণ হৈছে ডুবি থকা আৰু আশাৰে বাট চাই থকা ব্যক্তিজনৰ দৰে যিয়ে নিজৰ পিতৃ-মাতৃ,ভাতৃ অথবা কোনো বন্ধুৰ দোআৰ আশাত থাকে। যেতিয়া কোনো দোআ পায় তেওঁৰ বাবে সেয়া পৃথিৱীৰ সমস্ত বস্তুতকৈ পছন্দনীয় হয়। নিশ্চয় আল্লাহে পৃথিৱীৰ লোকসকলৰ দোআৰ দ্বাৰা কবৰবাসীক পাহাৰৰ সমতুল্য চোৱাব দান কৰে। মৃত ব্যক্তিৰ বাবে জীৱিত ব্যক্তিৰ উত্তম উপহাৰ হৈছে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা আৰু ছদকা কৰা।
(مشکٰوة المصابیح ،۲/۷۲۸-۲۳۵۵)

◉ হজৰত মাআকিল বিন য়াছাৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লামে কৈছে: নিজৰ মৃতলোক সকলৰ ওচৰত ছুৰা ইয়াছিন পাঠ কৰা।
(ابو داود ،کتاب الجنائز ،۳/۱۹۱-۳۱۲۱)

◉ হজৰত আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লামে কৈছে: যি ব্যক্তিয়ে নিজৰ পিতৃ-মাতৃ বা কোনো এজনৰ কবৰ জিয়াৰত কৰিলে আৰু তেওঁলোক দুয়োজনৰ ওচৰত অথবা এজনৰ ওচৰত ছুৰা ইয়াছিন পাঠ কৰিলে তেন্তে তেওঁক ক্ষমা কৰি দিয়া হ'ব।
(اخرجہ بدر الدین عینی فی عمدة القاری ،۳/۱۱۸)
আন এটি বৰ্ণনাত আহিছে মৃতলোকসহ পঢ়োতাকো আল্লাহ পাকে ক্ষমাদান দি দিয়ে।

◉ কবৰস্থ কৰাৰ পিছত কাষত থাকি ছুৰা বাকাৰা,ছুৰা ইয়াছিন,ছুৰা মুল্ক আদি পঢ়ি দোআ কৰা উচিত যাতে তেওঁক কবৰত কৰা প্ৰশ্ন সমূহৰ সঠিক উত্তৰ দি সাফল্যমণ্ডিত হ'ব পাৰে।

• ফাতিমী মহৰ মানে কি,ইয়াৰ পৰিমাণ কিমান ?
**http://inzamulhoque696.blogspot.com/2022/06/httpst.html**

• Non muslim(অমুছলিম)ৰ কাৰণে কোনোবাই দোআ কৰিব পাৰেনে,মৃত্যুৰ পিছত ইহঁতৰ আত্মাৰ কি হয়,চিৰশান্তিৰ কামনা কৰিব তথা Rip ক'ব পাৰিনে ?
**http://inzamulhoque696.blogspot.com/2022/06/non-muslim-rip.html**

• সূৰ্য উদয়,সূৰ্যাস্ত আৰু দ্বিপ্ৰহৰ(জাৱাল)ৰ সময়ত পবিত্ৰ কোৰআন বা নামাজ পঢ়িব পৰা বিষয়টোক লৈ চৰীয়তে কি কয় ?
**http://inzamulhoque696.blogspot.com/2022/08/blog-post_27.html**

• এনেধৰণৰ বহুতো অসমীয়া ভাষাত প্ৰশ্নোত্তৰ পঢ়িবলৈ তলৰ লিংকটোত ক্লিক কৰক।
**http://inzamulhoque696.blogspot.com/?m=1**

• আমাৰ সৈতে পোনপটীয়াভাৱে যোগাযোগ কৰিবলৈ: +918638731917
• আমাক পোনপটীয়াভাৱে হোৱাটচাপত মেচেজ দিবলৈ:- **http://wa.me/918638731917**

**Inzamul Hoque Misbahi** **Sep 8, 2022** **masail and fataws**

## Published by Inzamul Hoque Misbahi

I'm a student of the ashrafiya university, I am getting knowledge religion now all pray for me **View more posts**

## Leave a Reply

Enter your comment here...